# সন্ত্ৰাসবাদক নবী কৰিম (ছাঃ) য়ে কেতিয়াও ন্যায্যতা প্ৰদান কৰা নাছিল



# সন্ত্ৰাসবাদক নবী কৰিম (ছাঃ)য়ে কেতিয়াও ন্যায্যতা প্ৰদান কৰা নাছিল

হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১৩ তম ৰাষ্ট্ৰীয় শান্তি সমাৰোহ ইউ.কে.

অনুবাদক ঃ ৰুবুল মাইবেলা,নেইমচ গ্ৰুপ অফ কলেজ যোৰহাট (অসম)

প্ৰকাশক ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

# প্ৰকাশকৰ কথা

হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ) য়ে ১৩ তম ৰাষ্ট্ৰীয় শান্তি সমাৰোহ বায়তুল ফুতুহ,ইউ.কে ত প্ৰদান কৰা বক্তব্য অসমীয়ালৈ অনুবাদ মাননীয় ৰুবুল বাইবেলা আলী প্ৰোফেছৰ নেইমচ গ্ৰুপ অফ কলেজ,ভাতেমৰা পথ যোৰহাট (অসম) কৰিছে ,আৰু **Review** মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা **(President Review** কমিটি অসম),মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় ৰহিম বাদশ্বাহ চাহাব মুবাল্লিগ ছিলছিলা আৰু মজিবৰ ৰহমান ইনচাৰ্জ অসমীয়া ডেস্কে কৰিছে। আল্লাহ তায়লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন-

নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান

আহমদীয়া মুছলিম জামাতৰ বিশ্বনেতা হজৰত মিৰ্জা মচৰুৰ আহমদ চাহাবে বিছমিল্লাহি ৰাহমানিৰ ৰাহিম—পৰম কৰুণাময় পৰম দানশীল আল্লাহৰ নামত। সকলো সন্মানিত অতিথিবৰ্গক আচ্ছালামু আলাই-কুম ওৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু— আপোনালোক সকলোৰে ওপৰত শান্তি আৰু আল্লাহৰ আশীষ অনুগ্ৰহ বৰ্ষিত হওঁক।

প্ৰথমতে মই এই অনুষ্ঠানত আপোনালোকে অংশগ্ৰহণ কৰাৰ বাবে প্ৰথমতে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ লগতে মই ধন্যবাদ জ্ঞাপন কৰিব বিচাৰো সেইসকল সন্মানিত অতিথি বৃন্দক যিসকলে এই অনুষ্ঠানত উপস্থিত হোৱাৰ বাবে বহু কষ্টৰ স্বীকাৰ কৰিব লগা হৈছে।

আহমদীয়া মুছলিম

**তদুপৰি বিগত এটা বছৰত ইউৰোপত শৰণাৰ্থীসকলক নিষিদ্ধ কৰা হ'ল, এই কাৰ্যই কিছুমানলোকৰ মনত ভয়; অনিশ্চিয়তা আৰু আতংকৰ ছাপৰ পেলাইছে।**

জামাত বা সম্প্ৰদায়ৰৰ লগত ঘনিষ্ঠ ভাবে পৰিচিত আননালাগে সেইসকল যি তুলনামূলক ভাবে কম ঘনিষ্ঠ ভাবে পৰিচিত কিন্তু আহমদীৰ সৈতে একক ৰূপে যোগাযোগ আছে, তেওঁলোক এইবিষয় সম্পূৰ্ণ সচেতন হৈ থাকিব যে, এটা সম্প্ৰদায় হিচাপে আমি সদায় শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠাৰ বিষয়ে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰি আহিছো। লগতে নিশ্চত ভাবে আমাৰ সাধ্যৰ ভিতৰত নিজস্ব লক্ষ্য অৰ্জনৰ বাবে পূৰ্ণ প্ৰচেষ্টা কৰি থাকো। আজি ইয়াত আপোনা-লোকৰ অংশগ্ৰহণ বিশেষ ভাবে উল্লেখনীয় যে সমগ্ৰ বিশ্বতে ইছলামীয় সন্ত্ৰাসবাদে ভয় আৰু




**হজৰত মির্জা মচৰুৰ আহমদ চাহাবে ১৩ তম ৰাষ্ট্ৰীয় শান্তি সমাৰোহত ৰাইজক সম্বোধনৰত অৱস্থাত**

শংকাৰ উদ্ৰেক কৰিছে। তেওঁলোকৰ কাৰ্যকলাপৰ বাবেই এসময়ত ইছলাম ভয়ৰ কাৰণ হৈ পৰিছে। দৃষ্টান্ত হিচাপে যোৱা নৱেম্বৰত বিশ্বৰ সন্মানীয় স্থান পেৰিছত সন্তাসবাদীৰ আক্ৰমণ সংঘটিত হৈছে। এনেদৰে সন্ত্ৰাসবাদীৰ আত্মঘাটি আক্ৰমণ বিশ্বৰ বিভিন্ন প্ৰান্তত সংঘটিত হয়। যুক্তৰাষ্ট্ৰৰ আৰক্ষী আয়ুক্তই সৰ্তক কৰি দিছে যে সন্ত্ৰাসবাদীয়ে ভংয়কৰ আক্ৰমণ কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰিছে, এই আক্ৰমণ অতি ভয়াবহ হোৱাৰ লগতে বিট্ৰেইনৰ ৰাজহুৱা স্থানক লক্ষ্য কৰি লোৱা হৈছে। তদুপৰি বিগত এটা বছৰত ইউৰোপত শৰণাৰ্থীসকলক নিষিদ্ধ কৰা হ'ল, এই কাৰ্যই কিছুমানলোকৰ মনত ভয়; অনিশ্চিয়তা আৰু আতংক ছাপৰ পেলাইছে। যি আতংকৰ স্তম্ভ স্বৰূপ হৈ পৰিছে। এই সকলোবিলাকে প্ৰতিফলিত কৰা

**এনেদৰে আজিৰ হোৱা যুদ্ধক ইছলামৰ বাবে হোৱা বা ধৰ্মৰ বাবে হোৱা যুদ্ধ বুলি ক'ব পৰা নাযায়, এয়া মাথো অৰ্থনৈতিক লাভালাভ, ৰাজনৈতিক লাভালাভ আদিৰ বাবে সংঘটিত হোৱা যুদ্ধ। এনে যুদ্ধই মাথো ইছলামৰ সুনামক বদনাম কৰাৰ এক আহিলাৰ দৰে ব্যৱহাৰ হৈছে।**

আতংকয়ময়তাৰ মাজতো ইয়াত উপস্থিত হোৱা অমুছলিম ভাইসকলে ইয়াকে প্ৰমাণ কৰে যে আপোনালোক সন্ত্ৰাসবাদ বিৰোধী সাহসী, সহিষ্ণু আৰু মুকলি মনৰ লোক।

এক লক্ষ্যণীয় সত্য যে ইছ্লামক ভয় কৰিব লগা একো কাৰণ নাই। ইয়াত ভয়ৰ কোনো স্থান নাই। তথাপি কিছুমান লোকৰ ধাৰণা মুছলমান এক অতিবাদীধৰ্ম, এই ধৰ্মই আত্মঘাটি আক্ৰমণ আৰু আন আন হিংসাত্মক কাৰ্য সংঘটিত কৰে। এয়া কেতিয়াও সত্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব নোৱাৰে। সম্প্ৰতি এজন ইংৰাজ স্তম্ভ লেখকে তেওঁৰ স্তম্ভত 'ইছলামফবিয়াৰ উদয়'ত লেখিছে— ব্যাপক অনুসন্ধান আৰু গৱেষণাৰ অন্তৰালত এয়া স্পষ্ট হৈছে যে আত্মঘাটি বোমাৰুৰ আক্ৰমণ প্ৰথম **১৯৮০** দশকত হে সংঘটিত কিন্তু ইছলামীসকল **১৩০০** দশকৰ আগৰে পৰা পৰাই ইয়াত বসবাস কৰি আহিছে। ইছলামে ইয়াৰ অনুমতি কেতিয়াও প্ৰদান নকৰে কিয়নো বিগত দিনৰ ইতিহাসত ইছলামে এনে আত্মঘাটি আক্ৰমণ সংঘটিত কৰাৰ নজিৰ নাই। যদি ইছলামে সংঘটিত কৰিলেহেতেঁন বা ইছলামত ইয়াৰ অনুমতি থকা হ'লে দীঘলীয়া ইতিহাসত নিশ্চয় তেনে তথ্যৰ সন্ধান পোৱা গ'লহেতেঁন। তেওঁ নিজৰ নিৱন্ধত অতি সুন্দৰভাবে

স্পষ্টৰূপত উল্লেখ কৰিছে যে এনেধৰণৰ আক্ৰমণবোৰ আধুনিক যুগৰ ঋণাত্মকতাৰ অন্যতম প্ৰভাব।

ইছলামে সদায় সত্য আৰু শান্তিপূৰ্ণ শিক্ষাক প্ৰাধান্যতা প্ৰদান কৰি আহিছে। নিশ্চিত ভাবে ইছলামত সকলোধৰণৰ আত্মহত্যাক অতি স্পষ্টৰূপত নিষিদ্ধকৰণ কৰা আছে। সেয়ে ইছলামত আত্মঘাটি আক্ৰমণ বা কোনোধৰণৰ সন্ত্ৰাসবাদী আক্ৰমণৰ অস্তিত্ব নাই। এনেধৰণে পুৰুষ-মহিলা, শিশুক বৰ্বৰভাবে হত্যা কৰা কাৰ্য কেতিয়াওঁ সমৰ্থন যোগ্য হ'ব নোৱাৰে। সম্প্ৰতি আন এক গৱেষণাধৰ্মী লেখনিত ৰাইচ বিশ্ববিদ্যালয়, হাউচটনৰ অধ্যাপক Dr. Considine লেখিছে- তথাকথিত ইছলামী ৰাষ্ট্ৰসমূহত খ্ৰীষ্টানসকলৰ ওপৰত হোৱা আক্ৰমণক হজৰত মহম্মদ (ছাঃ)

**সৰ্বশক্তিমান আল্লাই উল্লেখ কৰিছে- যুদ্ধ অনুমতি সেইসকলৰ শক্তিপূৰ্ণ কৰা হৈছে যাৰ ওপৰত বলপূৰ্বক যুদ্ধ কৰা হৈছে।**

য়ে ন্যাৰ্যতা প্ৰদান কৰা নাছিল। লগতে লেখিছে—মহাপুৰুষৰ দৃষ্টিভংগী আছিল ধৰ্মীয়তাৰ ক্ষেত্ৰত সাৰ্বজনীতা আৰু নাগৰিকৰ অধিকাৰ প্ৰদান। এনে সকলোধৰণৰ কুকাৰ্যক ইছলামী শিক্ষাৰ সম্পূৰ্ণ বিপৰীত। ইছলামে যদি কেতিয়াবা যুদ্ধৰ অনুমতি প্ৰদান কৰিছে তেন্তে সেয়া কেৱল ৰক্ষাত্মক যুদ্ধ। যেতিয়া যুদ্ধ কাৰোবাৰ ওপৰত উপায়হীনতাৰ কাৰক হৈ পৰে,সেই স্তৰতহে যুদ্ধ অনিবাৰ্য। দৃষ্টান্ত হিচাপে পৱিত্ৰ কোৰাণৰ অধ্যায় ২২ আয়াত ৪০ সৰ্বশক্তিমান আল্লাই উল্লেখ কৰিছে- যুদ্ধ অনুমতি সেইসকলৰ শক্তিপূৰ্ণ কৰা হৈছে যাৰ ওপৰত বলপূৰ্বক যুদ্ধ কৰা হৈছে। একেটা




শান্তি সমাৰোহৰ বিশিষ্ট অতিথি আৰু বক্তাসকল ক্ৰমান্বয়ে বাওঁকালৰ পৰা সোঁফাললৈ লণ্ডনৰ মেয়ৰৰ প্ৰাৰ্থী তথা ৰিমণ্ড পাৰ্কৰ সাংসদ জেক গোল্ড স্মিথ উইম্বলণ্ডনৰ লৰ্ড তাৰিক আহমদ উগ্ৰবাদ প্ৰতিৰোধ মন্ত্ৰী, ৰফিক হায়াত আহমদীয়া মুছলিম জামাতৰ ইউকেৰ ৰাষ্ট্ৰীয় সভাপতিঃ ছিৱান মেকডোৱান্ড,মিছান আৰু মৰ্দানৰ সাংসদ তথা আহমদীয়া মুছলিম সকলৰ বাবে সকলো দলৰ সংসদীয় সভাপতি লগতে জাষ্টিন গ্ৰিনিং,পিটিনিটৰ সাংসদ আৰু আন্তঃৰাষ্ট্ৰীয় উন্নয়ন বিষয়ৰ সচিব।,

আয়াতত সৰ্বশক্তিমান আল্লাহ্তালাই ধৰ্মযুদ্ধৰ ওপৰত স্পষ্ট কৰিছে যে এয়া সেই সহায় যি সেইসকলক সহায় কৰিব যাৰ লগত অন্যায় কৰা হৈছে, তেওঁলোকক সমৰ্থন কৰিব। আল্লাহ তালাৰ যুদ্ধ আছিল প্ৰকৃত ধাৰ্মিক সাৰ্বভৌমত্ব,ধৰ্মীয় স্বাধীনতাৰ দৰে মৌলিক সিদ্ধান্তসমূহক কাৰ্যকৰ কৰাৰ স্বাৰ্থত। কিন্তু আজি ইছলামত এয়া হিংসাৰ যুদ্ধ হৈ পৰিল। বিগত দিনৰ ইতিহাসে সাক্ষ্য প্ৰদান কৰে যে এনে মহৎ উদ্দেশ্যৰে মুছলমানে সুজ্জিত সেনা বাহিনীলৈ যুদ্ধ কৰি বিজয় অৰ্জন কৰিছিল,যাক তিলমাত্ৰ অবিশ্বাস কৰিব পৰা নাযায়।

সম্প্ৰতি এজন মুছলমান হিচাপে মুছলমানৰ লগত সম্পৰ্কিত যুদ্ধৰ বিশ্লেষণ আগবঢ়াবলৈ যাওঁতে আজিৰ মুছলমানে কৰা সকলো যুদ্ধক ধৰ্মযুদ্ধ হিচাপে আখ্যা দিব পৰা নাযায়। মুছলিম জগতখনত হৈ থকা যুদ্ধ আভ্যন্তৰীণ নাগৰিক সংঘৰ্ষ বা ক্ষমতা লাভৰ বাবে চুবুৰীয়া ৰাষ্ট্ৰৰ লগত হৈ থকা যুদ্ধ। দ্বিতীয়তে কোনোবা অমুছলিম

**ইছলামৰ কেতিয়াওঁ ভয়ৰ কাৰণ নহয়, কিয়নো এয়া অদ্বৈত্যবাদ বা এক অতিবাদী ধৰ্ম যি কেতিয়াওঁ আত্মঘাটি হোৱাৰ বা আত্মহত্যাৰ, যুদ্ধৰ, পাৰস্পৰিক সংঘৰ্ষৰ অনুমতি প্ৰদান নকৰে।**

ৰাষ্ট্ৰৰ লগত হোৱা যুদ্ধকো আমি ধৰ্মযুদ্ধ বুলি অভিহিত কৰিব নোৱাৰি বা ইয়াক সমৰ্থন দিব পৰা যায়। এইক্ষেত্ৰত যুদ্ধত লিপ্ত হোৱা উভয়পক্ষই নিন্দাৰ পাত্ৰ। এনেদৰে আজিৰ হোৱা যুদ্ধক ইছলামৰ বাবে হোৱা বা ধৰ্মৰ বাবে হোৱা যুদ্ধ বুলি ক'ব পৰা নাযায়, এয়া মাথো অৰ্থনৈতিক লাভালাভ, ৰাজনৈতিক লাভালাভ আদিৰ বাবে সংঘটিত হোৱা যুদ্ধ। এনে যুদ্ধই মাথো ইছলামৰ সুনামক বদনাম কৰাৰ এক আহিলাৰ দৰে ব্যৱহাৰ হৈছে। সেয়ে মই মাথো ক'ব বিচাৰো ইছলামক ভয় কৰাৰ কোনো প্ৰয়োজন নাই, লগতে মই আশা কৰিছোঁ যে এতিয়া স্পষ্ট হৈ পৰিছে যে ইছলামৰ কেতিয়াওঁ ভয়ৰ কাৰণ নহয়, কিয়নো এয়া অদ্বৈত্যবাদ বা এক অতিবাদী ধৰ্ম যি কেতিয়াও আত্মঘাটি হোৱাৰ বা আত্মহত্যাৰ, যুদ্ধৰ পাৰস্পৰিক সংঘৰ্ষৰ অনুমতি প্ৰদান নকৰে। কিয়নো ইছলামৰ প্ৰকৃত শিক্ষাই আমাক শান্তিৰ, সহনশীলতাৰ শিক্ষা আৰু পাৰস্পৰিক ভালপোৱাৰ শিক্ষা দিয়ে, সেয়ে কোনো ধৰণৰ 'ইছলামিকফবিয়া'ত আক্ৰান্ত হোৱাৰ কাৰণ নাই। ইছলামৰ শিক্ষাই মানবীয় প্ৰমূল্যবোধক উচ্চস্থান প্ৰদান কৰি সকলো লোকৰ প্ৰতি সন্মান, সকলোৰে গৰিমা, সকলোকে সম অধিকাৰ প্ৰদান কৰাতহে সমৰ্থন কৰে।

সম্প্ৰতি আমি সকলোৱে ভালদৰে অৱগত যে একাংশই চৰমপন্থা অৱলম্বন কৰিছে আৰু তথাকথিত কিছুমান ইছলামিক

গোটে ইছলামৰ নামত অতি ঋণাত্মক ভাৱে কুপন্থা গ্ৰহণ কৰি নিন্দনীয় কাৰ্য সংঘটিত কৰা দেখা গৈছে। তথাপি মই আগত উল্লেখ কৰা পৱিত্ৰ কোৰাণৰ আয়াতত স্পষ্ট ৰূপত প্ৰকাশ হৈছে এনেধৰণৰ কুপন্থা, প্ৰতিজ্ঞবদ্ধতাক ইছলামে কেতিয়াও মান্যতা প্ৰদান কৰা নাই। আনহাতে পৱিত্ৰ কোৰাণৰ প্ৰথম অধ্যায়ৰ দ্বিতীয় আয়াতত উল্লেখ আছে যে মানৱ প্ৰেমৰ দিশে ধাৱিত হৈ সকলোৰে মাজত সমতাৰ ভাৱ প্ৰদৰ্শন কৰাটো প্ৰকৃত ইছলামৰ দায়িত্ব, এক ধৰ্মীয় প্ৰেক্ষাপটৰ দিশে অগ্ৰহৰ হোৱা ইছলাম কোনোধৰণৰ শাস্তি প্ৰদানকাৰী বা ইয়াৰ অনুমোদনকাৰী , প্ৰতিশোধ বা প্ৰতিশোধ লোৱাৰ মাধ্যম হিচাপে নহয়,নিষ্ঠুৰতা, নিপীড়নৰ অন্ত পেলাই তথা ইতিবাচক সংস্কাৰৰ মাধ্যম হিচাপে কেৱল অনুমোদিত । পৱিত্ৰ কোৰাণত

ইছলাম কোনোধৰণৰ শাস্তি প্ৰদানকাৰী বা ইয়াৰ অনুমোদনকাৰী , প্ৰতিশোধ বা প্ৰতিশোধ লোৱাৰ মাধ্যম হিচাপে নহয়,নিষ্ঠুৰতা, নিপীড়নৰ অন্ত পেলাই তথা ইতিবাচক সংস্কাৰৰ মাধ্যম হিচাপে কেৱল অনুমোদিত ।

উল্লেখ আছে কোনো ব্যক্তি বা গোষ্ঠীক ক্ষমা আৰু দয়াৰ জড়িয়তে পুনৰ্বাসিত কৰিব সেই পদ্ধতিহে গ্ৰহণ কৰিব লাগে। যিকি নহওঁক যদি ক্ষমতায়ন বা সহনশীলতা কাৰ্যকৰ প্ৰমাণ নহয় তেন্তে শাস্তিসমূহ সংস্কাৰৰ মাধ্যম হিচাপে পৰিচালিত তথা কাৰ্যকৰ হ'ব। গতিকে এই ইছলামীয় আদৰ্শ অতি দূৰদৰ্শী তথা অন্যান্য। একে উদ্দেশ্যতে পুনৰ্বাসিন, উন্নয়ন আৰু সংস্কাৰ কৰা হৈছে। এই বিকাশ একমাত্ৰ মানৱজাতিৰ মান সৰ্বোচ্চতাৰ মাধ্যমেৰে গ্ৰহণ কৰি নিজৰ সৃষ্টিকৰ্তাই প্ৰদান কৰা



শান্তি সমাৰোহত উপস্থিত সন্মানীয় ব্যক্তি সকল যি হজৰত মির্জা মছৰুৰ আহমদ চাহাবৰ পৱিত্ৰ ভাষণ শুনিছে

গুণাৱলীৰ প্ৰতি আসক্ত কৰা। সকলো মানুহে সমভাবপোষণ কৰা এজনে আনজনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা তথা যত্নৱান হোৱা।

গতিকে ইয়াত কোনো ব্যক্তি বা গোটক অন্যায়ভাবে কোনো শাস্তি প্ৰদান কৰিব পৰা নাযায়। ইছলামে অপৰাধ অনুসৰি শাস্তি প্ৰদান কৰে। যদিও এই ক্ষেত্ৰত সংস্কাৰ সাধনৰ মাজেৰে শাস্তি পৰিহাৰ কৰিব পাৰিলে ভাল হয়। পৱিত্ৰ কোৰাণত ক্ষমা কৰাক উত্তম, প্ৰফুল্লতা, সহনশীলতাক মাধ্যম হিচাপে সৰ্বশক্তিমান আল্লাহৰ ওচৰত স্বীকৃত হৈছে। পৱিত্ৰ কোৰাণৰ ২৪তম অধ্যায়ৰ ২৩ সংখ্যক আয়াতত ইয়াৰ উল্লেখ আছে।

একেদৰে অধ্যায়ৰ ৩,আয়াত ১৩৫ সংখ্যকত সৰ্বশক্তিমান আল্লাই কৈছে— যিসকলে নিজৰ নিজৰ খং দমন কৰে আৰু ক্ষমা কৰি দিয়ে, হিংসাক পাহৰি যায়, তাক আল্লাই ভালপায় আৰু পছন্দ কৰে। পৱিত্ৰ কোৰাণৰ আন স্থানটো ইয়াৰ উল্লেখ পোৱা যায়। যি ব্যক্তিক ক্ষমা

ইছলামৰ নীতিৰ বিশ্বাস হ'ল সকলো ধৰ্মৰে স্বাধীনতা আৰু স্বাধীনতাৰ সোপানক সন্মান কৰা। ইছলামৰ মতে প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ বিশ্বাস অনুসৰি ধৰ্মস্বাধীনতা অৰ্জন কৰাৰ পূৰ্ণ অধিকাৰ থকাৰ লগতে তাক শান্তিপূৰ্ণভাবে পালন কৰাৰো অধিকাৰ আছে।

কৰাটো সম্ভৱ তেওঁক ক্ষমা কৰি দিয়া উচিত। কাৰণ ইয়াৰ চূড়ান্ত উদ্দেশ্য নৈতিক সংস্কাৰ, বৰঞ্চ প্ৰতিহিংসা নহয়। পৱিত্ৰ কোৰাণৰ অধ্যায় ৪৯ আৰু আয়াত ১০ সংখ্যকত আল্লাহে পৰাক্ৰমশালী সকলৰ বাবে, দ্বন্দ্বৰত জাতি আৰু গোষ্ঠীক চিৰস্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে কিছুমান চৰ্ত তথা এক সুবৰ্ণনীতি প্ৰদান কৰিছে ।এই অধ্যায়ত উল্লেখ আছে কোনো ৰাষ্ট্ৰ বা জাতিৰ মাজত হোৱা বিবাদ নিষ্পতিকৰাৰ বাবে তৃতীয় পক্ষই শান্তিপূৰ্ণ সংকল্পৰে মধ্যস্থতা কৰিব লাগে বা প্ৰয়োজনত সংঘৰ্ষতো লিপ্ত হ'ব পাৰে। সেই বাবে স্থায়ীভাবে শান্তিৰে বসবাস কৰাৰ কাৰণে আল্লাহতালাই মানৱজাতিক ঐক্যতাৰে একেলগে শান্তিপূৰ্ণ সহৱস্থানৰ পোষকতা কৰিছে। মানৱজাতি সকলো প্ৰকাৰৰ উৎপীড়ন আৰু অবিচাৰৰ পৰা নিৰাপদত দুৰত্বত অৱস্থান কৰিব লাগে। এনে বিশ্বাসে ইছলামৰ সিদ্ধান্তসমূহক সুনিশ্চিত কৰে লগতে ইছলামৰ নীতিৰ বিশ্বাস হ'ল সকলো ধৰ্মৰে স্বাধীনতা আৰু স্বাধীনতাৰ সোপানক সন্মান কৰা। ইছলামৰ মতে প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ বিশ্বাস অনুসৰি ধৰ্মস্বাধীনতা অৰ্জন কৰাৰ পূৰ্ণ অধিকাৰ থকাৰ লগতে তাক শান্তিপূৰ্ণভাবে পালন কৰাৰো অধিকাৰ আছে।

কোনো ধৰ্মৰে বিশ্বাসত আঘাত কৰিব নেলাগে, ধৰ্ম গ্ৰহণ বা পালন কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ বাধ্যবাধকতাৰ চৰ্ত

প্ৰদান কৰিব নেলাগে। আল্লাহৰ আহ্বান তথা বিশ্বাসে ইছলামৰ পৱিত্ৰ শিক্ষাই কোনো লোকক বলপূৰ্বকভাৱে ধৰ্ম গ্ৰহণ কৰাৰ শিক্ষা প্ৰদান কৰা নাই। সকলোৱে মুক্ত মনেৰে নিজৰ ধৰ্মমত প্ৰকাশ কৰাৰ অধিকাৰ প্ৰদান কৰি আহিছে। যি ইচ্ছা কৰে সি ইছলাম গ্ৰহণ কৰিব পাৰে, ইছলাম গ্ৰহণ সকলোৰে বাবে মুকলি,কিন্তু ইয়াত কোনো ধৰণৰ প্ৰভাব বা হেঁচা প্ৰদান কৰিব নোৱাৰিব, সকলোৱে নিজৰ ইচ্ছা তথা পছন্দ অনুসৰি ইয়াক গ্ৰহণ কৰিব পাৰে। একেদৰে কোনো ইছলামে যদি সিদ্ধান্ত গ্ৰহণ কৰে যে তেওঁ ইছলাম ত্যাগ কৰিব তেন্তে কোৰাণৰ শিক্ষা হ'ল যে তেওঁক ইয়াত কোনো বাধা প্ৰদান কৰিব নেলাগে, সেইটো কৰা তেওঁৰ অধিকাৰ।


আমি ইছলামক সাৰ্বজনীন বুলি বিশ্বাস কৰো। ধৰ্ম হ'ল এক নিৰৱধি শিক্ষা, যদি ইয়াৰ পিছতো

আমি ইছলামক সাৰ্বজনীন বুলি বিশ্বাস কৰো। ধৰ্ম হ'ল এক নিৰৱধি শিক্ষা, যদি ইয়াৰ পিছতো কোনোবাই ইয়াক ত্যাগ কৰি আঁতৰি যাৰ বিচাৰে, সেয়া তেওঁৰ পছন্দ বা বিশেষাধিকাৰ।

কোনোবাই ইয়াক ত্যাগ কৰি আঁতৰি যাৰ বিচাৰে, সেয়া তেওঁৰ পছন্দ বা বিশেষাধিকাৰ। পৱিত্ৰ কোৰাণৰ অধ্যায় **৫** আয়াত **৫৫** সংখ্যকত আল্লাহ তালাই কৈছে, কোনোবাই যদি বিচাৰে এৰি যাৱলৈ তেওঁক এৰি যাৱলৈ দিয়া। তেওঁ প্ৰতিস্থাপিত কৰিব ভাল আৰু সৎ লোকৰ লগত। কোনো চৰকাৰ, গোট বা ব্যক্তিৰ অধিকাৰ নাই তেওঁক শাস্তি প্ৰদান কৰা বা কোনো পথ গ্ৰহণ কৰাত বাধা দিয়াৰ।

একেদৰে ইছলামত এনে অভিযোগৰ বাবে, ধৰ্মভ্ৰষ্টতাৰ বাবে শাস্তি প্ৰদান কাৰটো সম্পূৰ্ণ অন্যায় তথা অবিচাৰ। এয়াই ইছলামৰ

শিক্ষা যে সকলো আল্লাহৰ চাৰিও ফালে পৰিভ্ৰমণ কৰে, এয়া তেওঁৰ সত্বা,যাৰ বাবে তেওঁ স্থায়ী আৰু প্ৰদানকাৰী সমগ্ৰ মহাবিশ্বৰ। ফলস্বৰূপে এজন মুছলমানে নিৰ্দয়ভাবে কঠোৰতাৰে দমন কৰিব বিচাৰে অথবা চৰমপন্থাত যিকোনো ৰূপে জড়িত হৈ পৰে, তেন্তে তেওঁ ঈশ্বৰক অস্বীকাৰ কৰিব লাগিব। সকলো স্থায়ী গুণাৱলী হৈছে মানৱজাতি। বিকল্প হিচাপে এয়া নিশ্চিত হ'ব পাৰে মুছলমানে আল্লাহক মহাবিশ্বৰ গুৰু হিচাপে মান্যতা দিয়ে আৰু পৃথিৱীৰ সকলোৰে পালনকৰ্তা আল্লাহ। কিন্তু বাস্তৱত ইয়াৰ অৰ্থ বুজি নোপোৱাৰ বাবেই ইছলামৰ মূল শিক্ষা আজি সুদূৰপৰাহত। সেয়ে মানৱ জাতিক প্ৰকৃত ইছলামীক শিক্ষাৰ জ্ঞান আৰু শিক্ষা প্ৰদান কৰাৰ বাবে আল্লাহ তালাই সংস্কাৰক প্ৰেৰণ কৰে বুলি আহমদীয়া মুছলমানে বিশ্বাস কৰে,



প্ৰকৃত মুছলমানে একমাত্ৰ নিজৰ সন্তানকে নহয়, সকলোৰে প্ৰতি নিজৰ ভালপোৱাক উচৰ্গা কৰে
- RafalOlechowski |Shutterstock.com

তেওঁ আমাক অৱগত কৰিছে যে ধৰ্মীয় যুগৰ যুদ্ধৰ পৰিসমাপ্তি ঘটিছে। সৰ্বশক্তিমান আল্লাই সমগ্ৰ মানৱজাতি এজনে আনজনৰ লগত শান্তিৰে বসবাস কৰি নিজৰ নিজৰ অধিকাৰ ভোগৰ মাজেৰে সৃষ্টিকৰ্তাৰ সৃষ্টিত বসবাস কৰাটো বিচাৰে। এই বিষয়ত তেওঁৰ অনুগামীসকলৰ সম্বোধনত প্ৰতিশ্ৰুত মছীহ মিৰ্জা গোলাম আহমদে এবাৰ কাদিয়ানত কৈছিল—' ***ইছলামৰ শিক্ষা সঁচাকৈ আত্মাৰ দৰে, য'ত কেৱল মাত্ৰ দুটা***

মুছলমানক আল্লাহৰ প্ৰতি, প্ৰভুৰ প্ৰতি,আনৰ প্ৰতি আনুগত্য হোৱাৰ আজ্ঞা প্ৰদান কৰা হৈছে।

*অংশ আছে অথবা ইয়াক ক'ব পৰা যায় যে ধৰ্ম দুটা সম্পৰ্কিত লক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰে। সৰ্বপ্ৰথম প্ৰেম আৰু সাৱধানতাৰ দাৱীৰ ওপৰত নিৰ্ভৰ কৰি আল্লাহক পৰম নিশ্চিতভাবে আৰু তেওঁক আন্তৰিকতাৰে ভালপোৱাৰ মাজেৰে আৰু নিজৰ আনুগত্য-তাৰে নিজকে সম্পূৰ্ণৰূপে নিমজ্জিত কৰাৰ লগে লগে তেওঁক চিনিব পাৰে। দ্বিতীয়তে তেওঁৰ লোকসকলক সেৱা কৰা আৰু আনসকলৰ প্ৰেমময় সেৱাত নিজৰ সমস্ত ক্ষমতা আৰু অনুষঙ্গ ব্যৱহাৰ কৰা আৰু সদায় আল্লাহৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰা লগতে তেওঁলোকৰ প্ৰতি অনুগ্ৰহপূৰ্বক কৃতজ্ঞতা প্ৰকাশ কৰা, তেওঁ আপোনাৰ ৰজা বা শাসক হওঁক বা নহওঁক। তেওঁ মানৱৰ প্ৰতি অতি সহজ বা নম্ৰ হওঁক বা নহওঁক। মুঠতে আপুনি তেওঁৰ লগত এক প্ৰেমময় সম্পৰ্ক ৰক্ষা কৰিব লাগে।"*

তদুপৰি আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাতাই পৱিত্ৰ কোৰাণৰ অধ্যায় **১৬** আয়াত **৯১** ৰ প্ৰকৃত অৰ্থ ব্যাখা কৰিছে, য'ত আল্লাহতালাই কৈছে— ***'বাস্তৱত আল্লাহ ন্যায় আৰু কৰ্মত সংলগ্ন হয়, আনৰ ভালৰ বাবে আৰু দয়াৰ দিশে নিৰ্দেশ কৰে।'***

আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাপকৰ মন্তব্য যে এই আয়াতত মুছলমানক আল্লাহৰ প্ৰতি, প্ৰভুৰ প্ৰতি,আনৰ প্ৰতি আনুগত্য হোৱাৰ আজ্ঞা প্ৰদান কৰা হৈছে। সেই কাৰণে মুছলমানক আজ্ঞা প্ৰদান কৰা হৈছে যে তোমালোকে সেই সকলো লোকৰ প্ৰতি দয়াৱান হোৱা য'ত সেইসকল লোকৰ প্ৰতি সহানুভূতি নাই।

তেওঁলোকৰ বা যিকোনো পক্ষৰ পৰা তেওঁলোকৰ সপক্ষে থিয় দিয়া। তেওঁ উল্লেখ কৰিছে যে এই আয়াত আল্লাহৰ সৃষ্টি। এই আয়াতত এজন মুছলমানক আল্লাহৰ প্ৰতি গভীৰ ভালপোৱাৰ আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰা হৈছে। লগতে কোৱা হৈছে প্ৰতিজন ব্যক্তিকে সেই সীমালৈকে ভালপাব লাগে যিদৰে আমি অতি ওচৰ সম্পৰ্কীয়জনক বা পৰিয়ালৰ আত্মীয়জনক ভালপাব পাৰো। প্ৰকৃতাৰ্থে এজন প্ৰকৃত মুছলমানে আনক ভালপাব লাগে, তাৰ বাবে পটভূমি বা বিশ্বাস যিয়েই নহওঁক, যি দৰে এগৰাকী মাকে নিজৰ সন্তানক মৰম কৰে। নিশ্চিচভাবে এই প্ৰেম সৰ্বোচ্চ আৰু শুদ্ধতম ৰূপ কিয়নো দ্বিতীয় পৰ্যায়ত য'ত এজন ব্যক্তিয়ে উদাৰতা আৰু অনুগ্ৰহ প্ৰকাশ কৰে, এয়া সম্ভাব্য আত্ম-

**এজন মুছলমানক আল্লাহৰ প্ৰতি গভীৰ ভালপোৱাৰ আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰা হৈছে। লগতে কোৱা হৈছে প্ৰতিজন ব্যক্তিকে সেই সীমালৈকে ভালপাব লাগে যিদৰে আমি অতি ওচৰ সম্পৰ্কীয়জনক বা পৰিয়ালৰ আত্মীয়জনক ভালপাব পাৰো।**

অভিক্ষেপ, উপাদানৰ অৱশেষ। লাগে সেয়া গুপ্ত হওঁক বা অধিক হওঁক আৰু যিকোনো দৃষ্টিকোণৰ ব্যক্তিৰ আচৰণে তাক প্ৰকাশ কৰিব পাৰে বিনিময়ৰ বাবেহে তেওঁৰ পক্ষত সমৰ্থন কৰা হৈছে, অৰ্থাৎ সমৰ্থনত স্বাৰ্থ জড়িত হৈ আছে। কিন্তু এগৰাকী মাতৃৰ সন্তানৰ প্ৰতি মৰম বাস্তৱত নিস্বাৰ্থ আৰু পৰোপকাৰী হয়,নিজৰ সন্তানৰ লগত মাকৰ আন্তৰিক সম্পৰ্ক এনেকুৱা যে মাকে সন্তানৰ বাবে নিজৰ সকলো ত্যাগ কৰিবলৈ প্ৰস্তুত হৈ পৰে। মাকে ইয়াৰ বিনিময়ত

**এজন সঁচা মুছলমানৰ কাৰণে নিষ্ঠুৰতা অসম্ভৱ আৰু ইছলামৰ কাৰণে কোনো ধৰণৰ অন্যায়, হিংসা বা উগ্ৰবাদৰ অনুমতি প্ৰদান কৰাটো অসম্ভৱ। বহু বছৰ ধৰি মই এই বিষয়বোৰত মনোনিৱেশ কৰিছোঁ আৰু সময় দিছোঁ।**

একো নিবিচাৰে বা ইয়াৰ বাবে তেওঁ কোনো ধৰণৰ প্ৰশংসা বা কৃতজ্ঞতা কামনা নকৰে। গতিকে ইছলামৰ পক্ষে সৰ্বোচ্চ আদৰ্শ এয়া যে ইয়াৰ মাজেৰে মুছলমানক মানৱতাৰ প্ৰতি ভালপোৱাৰ শিক্ষা প্ৰদান কৰা হয়, যিদৰে এগৰাকী মাকে সন্তানক ভালপায়। এয়া হ'ল ইছলামৰ সত্য শিক্ষা।

শক্তিশালী আল্লাই কৈছে— যি তেওঁৰ ওপৰত বিশ্বাস প্ৰকাশ কৰে সেই লোকে নিজৰ গুণাৱলী প্ৰকাশ কৰিব লাগে আৰু সেই কাৰণে এজন সঁচা মুছলমানৰ কাৰণে নিষ্ঠুৰতা অসম্ভৱ আৰু ইছলামৰ কাৰণে কোনোধৰণৰ অন্যায়, হিংসা বা উগ্ৰবাদৰ অনুমতি প্ৰদান কৰাটো অসম্ভৱ। বহু বছৰ ধৰি মই এই বিষয়বোৰ মনোনিৱেশ কৰিছোঁ আৰু সময় দিছোঁ। যিবিলাকে মূল ইছলামী শিক্ষাসমূহক প্ৰতিফলিত কৰে। মই বাৰে বাৰে পৱিত্ৰ কোৰাণৰ প্ৰসংগ এই কাৰণে উল্লেখ কৰিছোঁ যে মই যি কৰিছোঁ ইছলামৰ প্ৰকৃত শিক্ষাৰ ওপৰত ভিত্তি কৰি কৰিছোঁ তাক প্ৰমাণ কৰাৰ বাবে। সম্প্ৰতি, এনে এক পৰিৱেশে বিৰাজ কৰিছে যে শান্তিপূৰ্ণ আৰু সমন্বয়ৰ বাৰ্তাক ব্যাপক ভাবে প্ৰচাৰ কৰা হোৱা নাই ,আনহাতে মুষ্টিমেয় কিছুলোকৰ নিষ্ঠুৰতা, নৰসংহাৰক সমগ্ৰ বিশ্বতে সংবাদ মাধ্যমে প্ৰচাৰ কৰিছে আৰু ই মনোজগতত বিৰামহীনভাবে ক্ৰীয়া কৰি আহিছে।

জনগণক প্ৰভাৱিত কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, এই ক্ষেত্ৰত

সংবাদ মাধ্যমে নিজৰ দায়িত্ব অতি গুৰুত্ব সহকাৰে পালন কৰাৰ ক্ষেত্ৰত এক শক্তিশালী মাধ্যম তাত কোনো ধৰণৰ সন্দেহ নাই, শান্তিৰ সূচনাৰ বাবে এই শক্তি ব্যৱহাৰ কৰা উচিত। এই পৃথিৱীৰ সন্মুখত এই বৃহৎ শক্তিয়ে এই মুষ্টিমেয় নিষ্ঠুৰসকলৰ কৰ্ম-কাণ্ডৰ ওপৰত ধ্যান কেন্দ্ৰিত কৰি ইয়াক প্ৰদৰ্শন কৰিব লাগে বাস্তৱত ইছলামে কি প্ৰদৰ্শন কৰে।

প্ৰচাৰে সন্ত্ৰাসবাদী বা চৰমপন্থী গোষ্ঠীবিলাক জীয়াই থকাৰ ক্ষেত্ৰত অক্সিজেনৰ দৰে কাম কৰে। সেয়ে মোৰ কোনো সন্দেহ নাই যে সংবাদ মাধ্যমে মই যি উল্লেখ কৰিছোঁ তাক যদি পৰ্যালোচনা কৰে তেন্তে শীঘ্ৰে আমি অৱগত হ'ব পাৰিম সমগ্ৰ বিশ্বত দ্বন্দ্ব, সহিংসতা আদিৰ বিনাশ আৰম্ভ হৈছে। ব্যক্তিগত ভাৱে মই ইয়াক বুজিব পৰা নাই চৰমপন্থীসকলে কেনেকৈ



সংবাদ মাধ্যমে যদি নিজৰ ৰেটিং উন্নতিৰ লগতে শান্তিৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰে, তেন্তে আমি শীঘ্ৰে দাচ আৰু আন আন উগ্ৰপন্থী সংগঠনৰ বিনাশ দেখিবলৈ পাম -

Brian A. Jackson | Shutterstock.com

ইছলামৰ নামত ঘৃণাৰ কামবোৰ সংঘটিত কৰে, ইছলামৰ উন্নত চৰিত্ৰ শিক্ষা লঙ্ঘন কৰে আৰু ইছলামৰ নামত তেওঁলোকৰ কু কাৰ্যসমূহৰ ন্যাৰ্যতা প্ৰদান কৰাৰ চেষ্টা কৰে। ইছলামৰ মূল শিক্ষা হ'ল শান্তি, য'ত সকলোধৰণৰ চৰমপন্থা নিষিদ্ধ। আননালাগে বৈধ যুদ্ধৰ অৱস্থাতো আল্লাহে আদেশ দিছে কোনো ব্যৱস্থা বা শাস্তি সমান ভাৱে থকা উচিত। অপৰাধ সংঘটিত হোৱাৰ ক্ষেত্ৰতো ধৈৰ্য আৰু ক্ষমা প্ৰকাশিত হ'লে অধিক ভাল।

পৱিত্ৰ কোৰাণে বাৰে বাৰে প্ৰেম, দয়াশীলতা, পৰোপকাৰৰ কথা ব্যক্ত কৰিছে, তথাপি কিছু চৰম পৰিস্থিতিত যদি কোৰাণে আত্মৰক্ষাৰ যুদ্ধৰ অনুমতি প্ৰদান কৰিছে তেন্তে সেয়া একমাত্ৰ শান্তি ৰক্ষাৰ বাবে আছিল।

এনেদৰে যিসকল তথাকথিত মুছলমান সহিংসতা, অবিচাৰ আৰু নিষ্ঠুৰতাত জড়িত, তেওঁলোকে তেওঁলোকৰ ঘৰলৈ সৃষ্টিকৰ্তাৰ ক্ৰোধ আৰু খণ্ডক আমন্ত্ৰণ কৰিছে। এনে সময়ত যেতিয়া ইছলামৰ শংকা, ভয় ক্ৰমান্বয়ে বৃদ্ধি হ'ব ধৰিছে, মোৰ পুনৰ মানসিক কষ্ট অনুভৱ হয় যে পৱিত্ৰ কোৰাণে বাৰে বাৰে প্ৰেম, দয়াশীলতা, পৰোপকাৰৰ কথা ব্যক্ত কৰিছে, তথাপি কিছু চৰম পৰিস্থিতিত যদি কোৰাণে আত্মৰক্ষাৰ যুদ্ধৰ অনুমতি প্ৰদান কৰিছে তেন্তে সেয়া একমাত্ৰ শান্তি ৰক্ষাৰ বাবে আছিল। আজি মই প্ৰত্যেক্ষ কৰিছোঁ যে অধিকাংশ চৰকাৰে-গোষ্ঠীয়ে, যুদ্ধত জড়িত মুছলমান-অমুছলমানেও দাবী কৰে যে তেওঁলোকে শান্তিপ্ৰতিষ্ঠাৰ বাবে যুদ্ধ কৰিছে।

এনে অনুভৱ হয় অধিকাংশ লোকে কিছু বিশ্বশক্তিৰ দ্বাৰা পৰিচালিত যুদ্ধবোৰ বা কোনো ধৰ্ম বা বিশ্বাসৰ সৈতে তেওঁলোকৰ ক্ৰিয়াকলাপক অৱজ্ঞা কৰাত অক্ষম। যিকি নহওঁক আমি এনে এক পৰিৱেশত বসবাস কৰিছোঁ য'ত ইছলামৰ শিক্ষাক লক্ষ্য কৰি লোৱা হৈছে, আমি দেখিছোঁ যে মুছলমানৰ দ্বাৰা পৰিচালিত সমস্ত নিষ্ঠুৰতা বা যুদ্ধ অবিলম্বে ইছলামৰ শিক্ষাৰ লগত যুক্ত কৰা হৈছে। তথাপি সেইসকল লোকে তথা গোটসমূহে ইছলামৰ সত্য তথা শান্তিপূৰ্ণ শিক্ষাক প্ৰচাৰ কৰাৰ আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখিছে, তেওঁলোকৰ কণ্ঠ আজি সকলোৱে শুনিব পোৱা নাই আৰু

ব্যাপক ভাবে প্ৰচাৰিত হোৱা নাই। মোৰ অভিমত অনুসৰি এয়া অন্যায় আৰু এক বিপৰীতমুখী কাৰ্য- কলাপ। সমগ্ৰ পৃথিৱীত সংঘৰ্ষৰ সময়ত, আমি এই মূল সিদ্ধান্তক মনত ৰাখিব লাগে যে সকলোধৰণৰ বেয়া আৰু নিষ্ঠুৰতাক দমন কৰিব লাগে আৰু সকলোধৰণৰ ধাৰ্মিকতাক - মানৱতাক অনুমোদন জনোৱাটো উত্তম। এনেদৰে বেয়া বহু ব্যাপক ভাবে বিয়পি নপৰিব, সততা আৰু শান্তি বহু দূৰলৈকে বিস্তাৰিত হ'ব আৰু আমাৰ সমাজখনক সজাই তুলিব।

যদি আমি পৃথিৱীত সংঘটিত ভাল কৰ্মসমূহক উৎসাহিত কৰিব পাৰো, তেন্তে আমি সেই সকল লোকৰ পৰা মুক্তি পাব পাৰো যি দয়া আৰু মানৱতাৰ মূল্যৱান মূল্যবোধক হ্ৰাস কৰি বিচাৰিছে। তথাপি আজিৰ বিশ্বই এই সিদ্ধান্তসমূহ

> **যদি আমি পৃথিৱীত সংঘটিত ভাল কৰ্মসমূক উৎসাহিত কৰিব পাৰো, তেন্তে আমি সেই সকল লোকৰ পৰা মুক্তি পাব পাৰো যি দয়া আৰু মানৱতাৰ মূল্যৱান মূল্যবোধক হ্ৰাস কৰি বিচাৰিছে।**

মান্যতা দিব নিবিচাৰে বা বুজিব নিবিচাৰে আৰু সেই কাৰণে সংবাদ মাধ্যমে বিশ্বৰ শান্তিৰ ওপৰত গুৰুত্ব নিদি নিজৰ প্ৰচলনক অগ্ৰাধিকাৰ দিয়ে আৰু নিজৰ প্ৰচলন সংখ্যাৰ বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়ে। সংবাদ মাধ্যমে নিষ্ঠুৰতাৰ লগত জড়িত ক্ষুদ্ৰ-সংখ্যালঘুৰ ওপৰত মনোযোগ দিয়ে আৰু নিষ্ঠুৰ গোটসমূহৰ অপপ্ৰচাৰৰ যন্ত্ৰৰ দৰে কাম কৰি আহিছে, সেয়ে তেওঁলোক ব্যৰ্থ হৈছে বিশ্বত সংঘটিত ভাল কৰ্মসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাত, নিজৰ দায়িত্ব পালন কৰাত।

এয়া এক অন্যায় যি ভৱিষ্যতে বিভাজন আৰু সংঘৰ্ষৰ

পশ্চিমা শক্তিয়ে ইৰাকৰ পৰা ছাদ্দাম হুচেইনক অপসাৰণ কৰাৰ কৰিব বিচাৰিছিল আৰু ১৩ বছৰৰ আগতে হোৱা সেই যুদ্ধৰ হৃদয়বিদাৰক পৰিণাম আজিও অনুভৱ কৰা হয়।

বীজৰোপন কৰিব। বিশ্বৰ ৰাজনীতি আৰু সন্ত্ৰাসবাদক পৰাস্ত কৰাৰ সন্দৰ্ভত ইয়াক স্বীকাৰ কৰাটো আৱশ্যক যে শান্তি স্থাপন কৰা আমাৰ সৰ্বোপৰি উদ্দেশ্য আৰু ইয়াৰ বাবে সকলো পক্ষৰ বুজাবুজিৰ আৱশ্যক। যদি আপোনালোকে মুছলমানৰ কথাবোৰ বিশ্বাস কৰিব নিবিচাৰে তেন্তে মই সেইসকল মুছলমানৰ চিন্তা-চৰ্চাক দাঙি ধৰিব বিচাৰো যিবিলাকৰ ৰাজনীতিৰ বিষয়ত বিশদ জ্ঞান আছে আৰু যি বিশ্বত শান্তি স্থাপন হোৱাটো কামনা কৰে। উদাহৰণ স্বৰূপে যেতিয়া চৰমপন্থীসকলৰ দাসত্বৰ পৰাস্ত কৰাৰ কথা কোৱা হয় তেতিয়া অষ্ট্ৰিয়া বৈদেশিক মন্ত্ৰীয়ে সম্প্ৰতি আগবঢ়োৱা মন্তব্যলৈ মনত পৰে, তেওঁ কৈছিল—

*“আমি ইছলামিক ষ্টেটৰ আতংকৰ বিৰোধে যুদ্ধত ৰাষ্ট্ৰপতি আল-আছদৰ মধ্যস্থতাৰ লগতে এক বাস্তৱিক দৃষ্টিভংগীৰ প্ৰয়োজন। মোৰ অভিমত আমি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুদ্ধত অগ্ৰাধিকাৰ দিব লাগে। ইয়াত ৰুছ আৰু ইৰাণৰ দৰে শক্তিৰ অবিহনে সম্ভৱ নহয়।”*

তদুপৰি লণ্ডনৰ স্কুল অৱ ইকনমিকছত বহু দিনধৰি শিক্ষাদান কৰা অৱসৰপ্ৰাপ্ত ৰাজনৈতিক দাৰ্শনিক অধ্যাপক জন গ্ৰেয়ে সাম্প্ৰতিক ৰাজনীতিত শান্তিৰ অগ্ৰাধিকাৰৰ গুৰুত্বৰ সম্পৰ্কত লেখিছে—

*“ চৰকাৰৰ ৰূপ— গণতান্ত্ৰিক, নিৰকুংশ, ৰাজতন্ত্ৰ বা প্ৰজাতন্ত্ৰ শান্তি প্ৰদানৰ ক্ষমতাতকৈ কোনো গুণে কম নহয়।”*

মোৰ মতে এয়া অতি অন্তৰ্দৃষ্টিপূৰ্ণ মন্তব্য আছিল, তথাপি বিশ্বজুৰি প্ৰধান শক্তিবোৰে পূৰ্বৱতী তুলনামূলক স্থিতিশীল দেশবোৰত শাসন ব্যৱস্থাক সলনি কৰাৰ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। উদাহৰণ স্বৰূপে পশ্চিমা শক্তিয়ে ইৰাকৰ পৰা ছাদ্দাম হুচেইনক অপসাৰণ কৰাৰ কৰিব বিচাৰিছিল আৰু ১৩ বছৰৰ আগতে হোৱা সেই যুদ্ধৰ হৃদয়বিদাৰক পৰিণাম আজিও অনুভৱ কৰা হয়। আন এক মুখ্য উদাহৰণ হ'ল লিবিয়া, যিদৰে ৰাষ্ট্ৰপতি গাড্ডাফিক ২০১১ চনত বলপূৰ্বক পদৰ পৰা আঁতৰ কৰা হৈছিল আৰু তেতিয়াৰে পৰা লিবিয়াত অস্থিৰ-অৰাজক ৰাজনৈতিক অৱস্থাৰ সৃষ্টি হয়। লিবিয়াত ৰাজনৈতিক ভেকুৱামৰ প্ৰত্যক্ষ পৰিণতিয়ে দাবী কৰিছে যে বলপূৰ্বকতা এতিয়া এক গুৰুত্বপূৰ্ণ আধাৰ আৰু এক সন্ত্ৰাসবাদী নেটৱৰ্ক গঢি লৈছে,



এয়া অধিক গুৰুত্বপূৰ্ণ এখন চৰকাৰে এক নিৰ্দিষ্ট প্ৰকাৰৰ শাসন ব্যৱস্থাৰ পোষকতা কৰাতকৈ এখন শান্তিপূৰ্ণ স্থিতিশীল সমাজ নিশ্চিতকৰণত গুৰুত্ব দিয়ক Anurak Pongpatimet | Shutterstock.com

যি ইয়াক শক্তিশালী কৰি তুলিছে। পৰিস্থিতি এতিয়া অতি বিপজ্জনক,কেৱল সেই এলেকাৰ বাবেই নহয়,ইউৰোপৰ বাবেও আৰু এনে কিছুমান দিশ যিবোৰ মই আজি বহু বছৰে পৰা সৰ্তক কৰি আহিছো। গতিকে এনেধৰণৰ দেশবোৰৰ অগ্ৰাধিকাৰৰ বাবে চৰকাৰৰ অগ্ৰাধিকাৰ পৰিৱৰ্তন কৰা উচিত নহয়। ইয়াৰ পৰিৱৰ্ততে জনপ্ৰতিনিধিসকলক তেওঁলোকৰ দীৰ্ঘম্যাদী শান্তি প্ৰতিষ্ঠাৰ কাৰণে যথাযথ অধিকাৰ প্ৰদান কৰা উচিত। চিৰিয়ালৈ উভতাৰ পথত অষ্টেলিয়াৰ

**ন্যায় বিচাৰৰ ওপৰত নিৰ্ভৰ কৰি শান্তি প্ৰতিষ্ঠা হয়। সেয়ে আমি আমাৰ সময়ৰ জৰুৰী বিষয়ৰ ওপৰত সদায় দৃষ্টি দিব লাগিব।**

বৈদেশিক মন্ত্ৰীক তেতিয়া কোৱা হৈছিল সংযমীৰ উদ্দেশ্য শান্তি প্ৰতিষ্ঠা কৰা উচিত। সেই কাৰণে মূখ্য শক্তিবোৰে চিৰিয়াৰ চৰকাৰৰ লগত প্ৰচাৰৰ চেনেল আৰম্ভ কৰা আৰু এই ক্ষেত্ৰত প্ৰভাব বিস্তাৰ কৰা আন চুবুৰীয়া দেশৰ সহায় গ্ৰহণ কৰাৰ বাবে প্ৰস্তুত হ'ব লাগে।

মনত ৰাখিব ইতিবাচক পৰিণাম তেতিয়াহে সম্ভৱ যেতিয়া কোনো ব্যক্তিয়ে নিজৰ ব্যক্তিগত লাভালাভক অধিক ভাবে ভাল কামৰ বাবে স্থাপিত কৰাত ইচ্ছুক হয় আৰু যথাযথ ভাবে কাম কৰিবলৈ আগবাঢ়ি আহে। যি বিষয়ে মই ইতিমধ্যে উল্লেখ কৰিছোঁ ন্যায় বিচাৰৰ ওপৰত নিৰ্ভৰ কৰি শান্তি প্ৰতিষ্ঠা হয়। সেয়ে আমি আমাৰ সময়ৰ জৰুৰী বিষয়ৰ ওপৰত সদায় দৃষ্টি দিব লাগিব। বহু বছৰ ধৰি মই সৰ্তক কৰি আহিছো যে আমি এখন বিশ্বযুদ্ধৰ দিশে দ্ৰুতভাবে আগবাঢ়িছোঁ আৰু আন সকলেও ইয়াৰ বাবে সিদ্ধান্তত উপনীত হৈছে।

প্ৰকৃততে কিছু সংখ্যক বিশিষ্ট ব্যক্তিয়ে অভিমত ব্যক্ত কৰিছে যে এখন বিশ্বযুদ্ধ ইতিমধ্যে আৰম্ভ হৈছে। যি কি নহওঁক আমি এতিয়াওঁ বিশ্বাস কৰো যে আমাৰ নিজৰ পৰিধিৰ ভিতৰত এইধৰণৰ যুদ্ধ বন্ধ কৰাৰ সময় আছে, গতিকে মই ইতিমধ্যে উল্লেখ কৰিছোঁ সমিধান আমাৰ হাতত আছে, ন্যায়ৰ মাজেৰে কাম কৰা আৰু নিজৰ স্বাৰ্থক ত্যাগ কৰা। পূৰ্ব বহুকেইটা অনুষ্ঠানত মই চৰমপন্থী সকলৰ আৰু তেনেধৰণৰ গোটবিলাকৰ বিত্তৰ যোগান আৰু উৎসসমূহ বন্ধ কৰাৰ বাবে

সমিধান আমাৰ হাততে আছে, ন্যায়ৰ মাজেৰে কাম কৰা আৰু নিজৰ স্বাৰ্থক ত্যাগ কৰা।

বহুকেইটা গুৰুত্বপূৰ্ণ দিশৰ আলোকপাত কৰিছোঁ।

তথাপি ক'ব পৰা নাযায় যে এই বিষয়ত পূৰ্ণ প্ৰচেষ্টা কাৰ হৈছে। উদাহৰণ স্বৰূপে জাৰ্নেলত *The Wall Street Journal* প্ৰকাশিত এক অনুসন্ধানমূলক প্ৰতিবেদনত উল্লেখ কৰিছে যে ইৰাকৰ কেন্দ্ৰীয় বেংকত নিযুক্ত হোৱা দাসে বিপুল পৰিমাণৰ মাৰ্কিন ডলাৰ অৰ্জন কৰিছিল।

সেই একেই ডলাৰ ইৰাকৰ পৰা সচৰাচৰ সৰবৰাহ কৰা হৈছে যুক্তৰাষ্ট্ৰৰ ফেডাৰেল ৰিজাৰ্ভলৈ। নিৱন্ধটো কোৱা হৈছে যে মাৰ্কিন চৰকাৰে জুন ২০১৫ চনৰে পৰা এই সম্পৰ্কত অৱগত আছিল। কিন্তু ব্যক্তিগত ভাবে মই বিশ্বাস কৰো যে বিশ্বশক্তিবিলাকে এনেধৰণৰ লেনদেনৰ বিষয়ে বহু আগৰেপৰা অৱগত। তদুপৰি তেল বিক্ৰীৰ চৰ্তত-এয়া সকলোৰে অৱগত যে দেশৰ বিভিন্ন গোটে, আননালাগে চৰকাৰেও তেল ক্ৰয় কৰিছে। কিয় এই ব্যৱসায় বন্ধ কৰা হোৱা নাই? কিয় এই নিষেধাজ্ঞাৰ বাবে ব্যাপক নিষেধাজ্ঞা আৰোপ কৰা হোৱা নাই? ইয়াৰ পৰা এনে অনুভৱ হয় তেল অৰ্জনৰ ক্ষেত্ৰত এইবোৰ নৈতিকতাৰ বাহিৰৰ খিড়ীকিখনৰ বাহিৰৰ দিশ। এই বিষয়টো সম্পূৰ্ণ ৰূপে নিৰ্মিত এই সম্পৰ্কত King's College London ৰ অধ্যাপক Leif Wenar য়ে সাম্প্ৰতিক এক প্ৰৱন্ধ লেখিছে—" **পৃথিৱীয়ে তেল অৰ্জনৰ বাবে সকলোধৰণৰ অত্যাচাৰ সহ্য কৰিব পাৰে। একেদৰে দাচ আৰু চুডানৰ পৰা দেশবোৰে তেল ক্ৰয় কৰিছে, য'ত মানৱাধিকাৰ লঙ্ঘনৰ ঘটনা সংঘটিত হৈছে এক সঠিক মৌলিক বজাৰ অৰ্থনীতিক কৰা অৱমাননা-**

এই বিলাক দেখি-শুনি কেনেকৈ ক'ব পৰা যায়যে পৃথিৱীত সঁচা-কৈয়ে ন্যায় আছে? ইয়াক কেনেকৈ দাৱী কৰিব পৰা যায় সত্যতা আৰু সততা সৰ্বাধিক বিবেচিত হয়? একেদৰে সম্প্ৰতি বিস্তৃত সংবাদ মাধ্যম হৈ পৰিছে বিশ্বৰ অস্ত্ৰ ব্যৱসায়ৰ নথিভুক্ত কৰণৰ ক্ষেত্ৰত।

**যাৰ ফলত সহিংসতাৰে সম্পতিৰ অধিকাৰ অৰ্জন কৰিব বিচৰা হৈছে, যিটো উচিত নহয়।"**

তদুপৰি ইৰাক শক্তি ইনষ্টিটিউটৰ পৰিচালকে ব্যাখা কৰিছে যে কিদৰে দেশে তেওঁলোকৰ তেল বিক্ৰী কৰিছে। লেখকে লেখিছে—"**অপৰি-শোধিত তেলৰ ভাণ্ডাৰসমূহ আন্ধাৰ প্ৰদেশৰ মাজেৰে জৰ্দানত,কুৰ্দিস্থানৰ মাজেৰে ইৰাণত, মোছুলৰ মাজেৰে তুৰস্কত,ছিৰিয়া আৰু স্থানীয় বজাৰত তথা ইৰাকৰ কুৰ্দিস্তান অঞ্চলত স্থানীয় ভাবে পৰিশোধন কৰি বিক্ৰী কৰি অহা হৈছে। ইয়াক উল্লেখ কৰাটো এক বিৰ্তকৰ বিষয় হৈ পৰিব যে এই ব্যৱসায়ত ৰাষ্ট্ৰৰ বিষয়াসকল জড়িত নহয় বুলি দাৱী কৰিলে।"**

সেই কাৰণে, যেতিয়া এই দাৱী উত্থাপন কৰা হয় যে সন্ত্ৰাসবাদ আৰু উগ্ৰবাদ নাইকিয়া কৰাৰ বাবে সকলো ধৰণৰ সম্ভাব্য প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে, কিন্তু কোনো প্ৰমাণ নাই উপৰোক্ত বিষয়ক প্ৰতিফলিত কৰাৰ। এই বিলাক দেখি-শুনি কেনেকৈ ক'ব পৰা যায়যে পৃথিৱীত সঁচা ন্যায় আছে? ইয়াক কেনেকৈ দাৱী কৰিব পৰা যায় সত্যতা আৰু সততা সৰ্বাধিক বিবেচিত হয়? একেদৰে সম্প্ৰতি বিস্তৃত সংবাদ মাধ্যম হৈ পৰিছে বিশ্বৰ অস্ত্ৰ ব্যৱসায়ৰ নথিভুক্তকৰণৰ ক্ষেত্ৰত। যোৱা বছৰৰ আনুষ্ঠানিক প্ৰতিবেদন অনুসৰি মাৰ্কিন যুক্তৰাষ্ট্ৰই **৪৬.৬** বিলিয়ন ডালাৰ মূল্যৰ অস্ত্ৰ ৰপ্তানি কৰিছে, যিটো ইয়াৰ আগৰ বছৰত

ন্যায় বিচাৰৰ অবিহনে দাচ আৰু আন উগ্ৰপন্থী গোটবিলাৰ ঋণাত্মক দিশবোৰক আমি কেতিয়াও পৰাভূত কৰিব নোৱাৰিম। গতিকে বিশ্বই যদি এই বাৰ্তাক শুনে,ন্যায় বিচাৰ প্ৰকাশ কৰে আৰু সন্ত্ৰাসবাদীৰ অৰ্থ সৰবৰাহ তথা অৰ্থ সৰবৰাহৰ উৎসবোৰ বন্ধ কৰি দিয়াৰ বাবে প্ৰকৃত প্ৰচেষ্টা কৰে



দাচে ইৰাকৰ কেন্দ্ৰীয় বেংকৰ মাধ্যমেৰে ফেডাৰেল বেংকৰ পৰা ডলাৰ অৰ্জন কৰে।

Tetra Images | Shutterstock.com


১২ বিলিয়ন ডালাৰৰও অধিক আছিল। লগতে ইয়াকো অৱগত কৰা হৈছিল যে অধিকাংশ অস্ত্ৰ মধ্য প্ৰাচ্যৰ দেশবোৰত বিক্ৰী কৰা হৈছিল আৰু ইয়াৰ ফলত ইৰাক,ছিৰিয়া আৰু য়েমেনৰ যুদ্ধবোৰত ইন্ধন যোগাইছিল। মই পুনৰ ক'ব বিচাৰিছোঁ যে যদি এই ধৰণে ব্যৱসায় কৰা হয়, তেন্তে ন্যায় বিচাৰ-শান্তি প্ৰতিষ্ঠা কেনেকৈ সম্ভৱ হ'ব? মই এনেকেইটামান উদাহৰণ দাঙি ধৰিছোঁ- সৰ্বজনীন ডোমেইন, সন্মানিত বিশ্লেষক আৰু মতামতকাৰীসকলৰ মতামত। সমাজৰ সকলো স্তৰত ন্যায় বিচাৰ, নীতিবোৰ প্ৰদৰ্শিত নোহোৱালৈকে আমি সঁচাকৈ শান্তি দেখিবলৈ নাপাম। ন্যায় বিচাৰৰ অবিহনে দাচ আৰু আন উগ্ৰপন্থী গোটবিলাৰ ঋণাত্মক দিশবোৰক আমি কেতিয়াও পৰাভূত কৰিব নোৱাৰিম। গতিকে বিশ্বই যদি এই বাৰ্তাক শুনে,ন্যায় বিচাৰ প্ৰকাশ কৰে আৰু সন্ত্ৰাসবাদীৰ অৰ্থ সৰবৰাহ তথা অৰ্থ সৰবৰাহৰ উৎসবোৰ বন্ধ কৰি দিয়াৰ বাবে প্ৰকৃত প্ৰচেষ্টা কৰে,তেন্তে মই বিশ্বাস কৰো—

এজন অৱসৰপ্ৰাপ্ত আমেৰিকান সেনা বিষয়াই সম্প্ৰতি উল্লেখ কৰাৰ দৰে দাচৰ বিৰুদ্ধে যুদ্ধ ১০ ৰপৰা ২০ বছৰ চলিব, কিন্তু পৃথিৱীৰ সন্ত্ৰাসবাদৰ নেটৱৰ্কবোৰ সাময়িক ভাবে বন্ধ কৰিব পৰা যায়।

শেষত এয়াই মোৰ বিশ্বাস যে যেতিয়ালৈকে বিশ্বই নিজৰ সৃষ্টিকৰ্তাক চিনিব নোৱাৰে, মানৱজাতিৰ পৰিচালক হিচাপে মানি নলয়, তেতিয়ালৈকে সত্য বিচাৰৰ জয় নহ'ব। কেৱল সত্য ন্যায়ৰে নহয়, আমি এখন ঘাতক পৰমাণুযুদ্ধৰ অভিমুখে ধাৱিত হৈছো, যাৰ পৰিণাম আমাৰ উত্তৰ প্ৰজন্মই ভোগ কৰিব। মই প্ৰাৰ্থনা কৰো যে পৃথিৱীয়ে এই বাস্তৱক বুজি উঠক। মই প্ৰাৰ্থনা কৰিছোঁ আমি সকলোৱে মানৱতাৰ কাৰকক আগবঢ়াই নিয়াৰ বাবে নিজস্ব ভূমিকা পালন কৰিব পাৰো। একেদৰে প্ৰাৰ্থনা- ন্যায় বিচাৰৰ ওপৰত নিৰ্ভৰ কৰি সত্য-শান্তি সকলো অংশতে প্ৰতিষ্ঠা হওঁক। এই শব্দৰ মাজেৰে এই সন্ধিয়াৰ লগত





শ্ৰদ্ধাৱানজনে দৰ্শক আৰু ৰাইজৰ মাজত মৌন প্ৰাৰ্থনাৰ নেতৃত্ব প্ৰদান কৰিছে।




মক্কাত এক উদাত্ত নিৰপেক্ষ কণ্ঠ শুনা গৈছিল, ঈশ্বৰীয় আদৰ্শৰ মাজেৰে মানুহক এজন ঈশ্বৰৰ উপাসনাৰ বাবে আমন্ত্ৰণ কৰিছিল আৰু ঘোষণা কৰিছিল যে মানৱ জাতিয়ে ইয়াৰ সহায়ত ইহলোকত আৰু ইয়াত উভয়তে সঁচা মৰ্যাদা, সন্মান, সমৃদ্ধি আৰু সুখ অৰ্জন কৰিব। সেই কণ্ঠ হ'ল- ৰছুলুল্লাহ ছাল্লাল্লাহু আল্লাইহি ৱা ছাল্লামৰ। এই জনপ্ৰিয় জীৱনীত হজৰত মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদে ইতিহাস সৰ্বাধিক প্ৰভাবশালী ব্যক্তিৰ জীৱনক অতি সহজ-সৰল ভাবে বৰ্ণনা কৰিছে।

অনলাইনত গ্ৰন্থখন পঢ়াৰ বাবে ক্লিক কৰক—:
http://www.alislam.org/library/books/Life-of-Muhammad.pdf
Purchase book at : noorulislam@qadian.in




সমগ্ৰ বিশ্ব এক বিপদজনক সন্ধিক্ষণৰ মাজেৰে আগবাঢ়িছে। বিশ্বৰ অৰ্থনৈতিক জুৰুলা অৱস্থাই প্ৰতি ক্ষণত নতুন আৰু গুৰুতৰ বিপদৰ সংকেত দিছে। দ্বিতীয় বিশ্বযুদ্ধৰ বিভিষী-কাতকৈ বৰ্তমানৰ পৰিস্থিতি অধিক জটিল। যাৰ বাবে আমি তৃতীয়খন বিশ্বযুদ্ধৰ দিশে অগ্ৰসৰ হৈছোঁ। পাৰমাণৱিক যুদ্ধৰ পৰিণাম আমাৰ কল্পনাৰ বাহিৰত।

— এই গ্ৰন্থত হজৰত মিৰ্জা মাছৰুৰ আহমেদ, প্ৰতিশ্ৰুত মছীহৰ পঞ্চম খলিফা, বিশ্বখ্যাত আহমদীয়া জামাতৰ প্ৰধানে বিশ্বৰ বিভিন্ন প্ৰান্তত-বিশেষকৈ কেপিটেল হিল, কেপিটেল অৱ কমন্স, ইউৰোপৰ সংসদ আদিত নিজৰ বিচাৰ-বিশ্লেষণ আগবঢ়াইছে। গ্ৰন্থখনত বিশ্বৰ নেতৃত্ব প্ৰদান কৰা বিভিন্ন সময়ৰ কিছু সংখ্যক গুৰুত্বপূৰ্ণ চিঠিক অন্তৰ্ভুক্ত কৰা হৈছে। লগতে সকলোকে পৰম পৱিত্ৰতাক স্মৰণ কৰি বিশ্বক বিপদৰ পৰা ৰক্ষা কৰাৰ উপায়ৰ সম্ভেদ প্ৰদান কৰা হৈছে। লগতে বিপৰ্যয়

জাতিৰ বাবে, আনৰ সকলৰ বাবে তেওঁলোকৰ আচৰণ কেনেধৰণৰ হোৱা উচিত, কেনেকৈ ন্যায় বিচাৰ স্থাপন হ'ব। পাৰস্পাৰিক শত্ৰুতা থকাৰ পিছতো নিৰপেক্ষতা সদায় অৱলম্বন কৰা উচিত, কাৰণ ইতিহাসে আমাক শিক্ষা দিছে সকলো প্ৰকাৰৰ ঘৃণাৰ ভাব আঁতৰ কৰি সমগ্ৰ বিশ্বত চিৰস্থায়ী শান্তি গঢ়ি তুলিব পৰা যায়। সবিশেষ গ্ৰন্থখনত চাওঁক।

অনলাইনত গ্ৰন্থখন পঢ়াৰ বাবে ক্লিক কৰক—:

**www.alislam.org**
**Purchase the book here:**
**http://store.alislam.org/**

# আহমদীয়া মুছলিম জামাতৰ সংক্ষিপ্ত পৰিচয়

আহমদীয়া মুছলিম সম্প্ৰদায় মুছলিমৰ মাজত এক গতিশীল, দ্ৰুত ক্ৰমবৰ্ধমান আন্তঃৰাষ্ট্ৰীয় নৱজাগৰণৰ অংশ বিশেষ। **১৮৮৯** চনত প্ৰতিষ্ঠিত **২১২** খন দেশত বিয়পি থকা এই জামাত আজি বহু কোটি কোটি সদস্যৰ সমষ্টি। বৰ্তমান মুখ্য কাৰ্যালয় যুক্তৰাজ্যত অৱস্থিত। আহমদীয়া মুছলিম জামাত একমাত্ৰ মুছলিম সংগঠন যি বিশ্বাস কৰে যে দীৰ্ঘ· প্ৰতীক্ষিত মছীহ ব্যক্তিসকলৰ মাজৰ এজন হৈছে কাদিয়ানৰ মিৰ্জা গোলাম আহমদ (**১৮৩৫-১৯০৮**)। মিৰ্জা গোলাম আহমদে চাহাবে দাৱী কৰিছে যে তেওঁ **Nazareth** ৰ যীশুৰ দ্বিতীয় ৰূপত মাৰ্গদৰ্শক হিচাপে আগমন ঘটিছে,যাৰ আৰ্বিভাব ইছলামৰ পয়গম্বৰৰ মোহাম্মদ (ছাঃ)ৰ দ্বাৰা ভৱিষ্যবাণী কৰা হৈছিল। আহমদীয়া মুছলিম

জামাতে বিশ্বাস কৰে আল্লাই ধৰ্মযুদ্ধৰ যৱনিকা পেলাবলৈ যীশুৰ দৰে আহমদ চাহেবকো মছীহ হিচাপে (মহাপুৰুষ) প্ৰেৰণ কৰিছিল, যি ৰক্তপাত বন্ধ কৰি নৈতিকাত ন্যায় আৰু শান্তিক পুনৰ স্থাপন কৰিব। আহমদ (আঃ)ৰ আগমনে ইছলামৰ এক নৱজাগৰণ অভূতপূৰ্ব যুগৰ স্বৰ্ণিল অধ্যায়ৰ সূচনা কৰিছে। তেওঁ ধৰ্মান্ধ বিশ্বাস আৰু অনুশীলনে বঞ্চিত কৰা ইছলামৰ সত্যতা আৰু প্ৰকৃত শিক্ষাক বিজয় কৰাত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ মহান ধৰ্মীয় প্ৰতিষ্ঠাসকলৰ মাজত জোৰষ্টাৰ (আঃ), আব্ৰাহাম (আঃ),মুছা(আঃ), যীশু(আঃ), কৃষ্ণ, বুদ্ধ,কনফুছিয়াছ, লাও তেজু আৰু গুৰুনানক (ৰাঃ)আদিৰ উন্নতমানৰ শিক্ষাক স্বীকৃতি প্ৰদান কৰে লগতে ব্যাখা প্ৰদান কৰিছে যে এই ধৰণৰ শিক্ষাই কিদৰে ইছলামৰ একমাত্ৰ সত্যতাক প্ৰতিপন্ন কৰে। আহমদীয়া মুছলিম জামাত হ'ল নেতৃস্থানীয় মুছলিম সংগঠন। যিসকলো প্ৰকাৰৰ সন্ত্ৰাসবাদক প্ৰত্যাখান কৰি আহিছে। এই সংগঠনে ব্যক্তিগত, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি কৰি প্ৰতিটো পৰ্যায়ত, প্ৰতিটো ক্ষেত্ৰত শান্তি, সহনশীলতাক সৰ্বাত্মিক ৰূপত প্ৰতিষ্ঠা কৰিব বিচাৰে। আহমদীয়া মুছলিম জামাতে বিশ্বত পাৰস্পৰিক সমন্বয়, আন্তঃধৰ্মীয় শান্তি, উন্নয়নৰ ওপৰত বিশেষভাবে গুৰুত্ব প্ৰদান কৰি আহিছে।